# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-12-2024
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

:::::::::: ::::::::::: ::::::::: ::::::::::

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নাগালেণ্ডৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে ঐতিহ্য, উদ্ভিদ তথা প্ৰাণীৰে চহকী নাগালেণ্ড এখন সাহসী ৰাজ্য। বিভিন্ন উন্নয়নমূলক ক্ষেত্ৰত নাগলেণ্ডৰ অগ্ৰগতিৰ প্ৰশংসা কৰি শ্ৰীমতী মুৰ্মুৱে ৰাজ্যখনৰ জনসাধাৰণক শান্তিপূৰ্ণ সমৃদ্ধিশালী আৰু প্ৰগতিশীল ভৱিষ্যতৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে প্ৰানৱন্ত সংস্কৃতি আৰু প্ৰকৃতিৰ সৈতে গভীৰ সম্প্ৰীতিৰে নাগালেণ্ড সচাঁকৈয়ে এখন মনোমোহা ৰাজ্য। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে যে, চহকী সংস্কৃতি আৰু ৰাজ্যখনৰ জনসাধাৰণৰ মনোমোহা প্ৰকৃতিৰ বাবে নাগালেণ্ডখন বহুলভাৱে প্ৰশংসনীয়। তেঁও লগতে কয়, যে কৰ্তব্য পৰায়ণতা আৰু সহানুভুতিশীলতাৰ বাবে নাগা সংস্কৃতি জনাজাত। ৰাজ্যখনৰ অনাগত সময়ৰ অগ্ৰগতিৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। আজি এই দিৱস উপলক্ষে নাগালেণ্ডৰ কহিমাৰ ৰাজ্যিক সচিবালয়ত আয়োজিত অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নেইফিঅ ৰেঅ'ই ভাষণ দিয়ে। এই উপলক্ষে মুখ্যমন্ত্ৰীয়ে কহিমাত এখন ইকো পাৰ্ক মুকলি কৰে।

০০০০

নাগালেণ্ডৰ কহিমাৰ সমীপৰ কিচামা গাওঁত বহু প্ৰতিক্ষিত হৰ্ণবিল মহোৎসৱ আজি আৰম্ভ হৈছে। ৰূপালী জয়ন্তী বৰ্ষত প্ৰৱেশ কৰা এই মহোৎসৱৰ সৈতে সংগতি ৰাখি আয়োজন কৰা বিভিন্ন নাগা ফৈদৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য বহন কৰা নৃত্য-গীতেৰে উৎসৱস্থলী মুখৰ হৈ পৰিছে। এইবাৰৰ এই হৰ্ণবিল উৎসৱত নাগালেণ্ড চৰকাৰৰ লগতে ৰেলছ, জাপান, পেৰু আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই সহযোগিতা আগবঢ়াইছে। ছিকিম আৰু তেলেংগানায়ো ১০ দিনীয়া এই মহোৎসৱত সহযোগিতা আগবঢ়াইছে। মহোৎসৱৰ আনুষ্ঠানিক উদ্বোধনী অনুষ্ঠানত ৰেলছ, জাপান, পেৰু আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভাৰতস্থিত ৰাষ্ট্ৰদূতসকলক সম্বৰ্ধনা জনোৱা হৈছে। বিশিষ্ট সংগীত শিল্পী এ আৰ ৰহমানে এই উদ্বোধনী অনুষ্ঠানত গীত পৰিবেশন কৰাৰ বাবে উপস্থিত হৈছে। নিজৰ ভাষণত শিল্পীগৰাকীয়ে নাগালেণ্ডৰ সংস্কৃতি আৰু জীৱনশৈলীৰ প্ৰশংসা কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ভুৱনেশ্বৰত চলি থকা সৰ্বভাৰতীয় আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহা-পৰিদৰ্শকৰ বাৰ্ষিক সন্মিলনৰ অন্তিম দিনা দেশৰ কেন্দ্ৰীয় শাসিত অঞ্চল তথা ৰাজ্যসমূহৰ উদ্বিগ্নতাৰ বিভিন্ন সুৰক্ষা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনাত মিলিত হয়। সন্মিলনত চাইবাৰ ক্ৰাইম, উপকূলীয় অঞ্চলৰ সুৰক্ষা তথা মাওবাদী সন্ত্ৰাসবাদৰ সৈতে মোকাবিলা কৰাকে ধৰি বিভিন্ন বিষয় আলোচনা কৰা হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, গৃহ সচিব গোবিন্দ মোহন, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালো

সন্মিলনত উপস্থিত থাকে। সন্মিলনত আৰক্ষীৰ জ্যেষ্ঠ বিষয়া তথা বিভিন্ন নিৰাপত্তা সংস্থাৰ মুৰব্বীসকলৰ সৈতে সন্ত্ৰাসবাদী বিৰোধী ৰণকৌশল, ড্ৰোণ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ লেখিয়া শেহতীয়া প্ৰযুক্তিয়ে অনা প্ৰত্যাহ্বানকে ধৰি ৰাষ্ট্ৰীয় নিৰাপত্তা সম্পৰ্কীয় বিভিন্ন বিষয়ৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত সঠিক পথ অৱলম্বন কৰা সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। প্ৰধানমন্ত্ৰী তথা প্ৰতিনিধিবৰ্গই আৰক্ষীয়ে কৰ্মক্ষেত্ৰত সন্মুখীন হোৱা আন্তঃগাঁথনিমূলক সমস্যা সন্দৰ্ভতো আলোচনা কৰে। বৈঠকৰ অন্তিম দিনা মাদক দ্ৰব্যৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ো আলোচনা কৰাৰ সম্ভাৱনা আছে।

০০০০

আজি বিশ্ব এইডছ দিৱস। ACQUIRED IMMUNO DEFICIENCY SYNDROMEৰ বিষয়ে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে আজিৰ দিনটোত এইডছ দিৱস পালন কৰা হয়। এই দিনটোৱে জনসাধাৰণক HIVৰ বিৰুদ্ধে যুঁজ দিবলৈ একগোট হোৱাৰ লগতে এইডছ সংক্ৰমিত লোকৰ প্ৰতি সমৰ্থন জনোৱাৰ সুযোগ প্ৰদান কৰে। ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰণ সংস্থাই ১৯৯২ চনৰে পৰা প্ৰতি বছৰে আজিৰ দিনটোত বিশ্ব এইডছ দিৱস পালন কৰি আহিছে। এইবাৰৰ এইডছ দিৱসৰ মূল বিষয়বস্তু হ'ল- **মোৰ স্বাস্থ্য মোৰ অধিকাৰ।**

নগাঁৱৰ নেহৰুবালিত অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে এই দিৱস অনুষ্ঠিত হয়। এই অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্তই অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভিডিঅ' বাৰ্তাৰ জৰিয়তে এই অনুষ্ঠানত এইডছৰ সজাগতা সন্দৰ্ভত আলোকপাত কৰে। অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্তই যুৱ প্ৰজন্মক এইডছ সংক্ৰমিত হ'ব পৰা কাৰকসমূহৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, যে ৰাজ্যৰ দহখন জিলাত উদ্বেগজনকভাৱে এইডছ ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে আৰু এই জিলাসমূহৰ ভিতৰত নগাঁও জিলাও আছে। অনুষ্ঠানৰ আৰম্ভণিতে মন্ত্ৰী কেশৱ মহন্তই অসম ৰাজ্যিক ৰক্ত সংৰচন পৰিষদে ব্যৱস্থাপনা কৰা স্বেচ্ছামূলক ৰক্তদান শিবিৰ মুকলি কৰে। এইডছ সংক্ৰান্তীয় তথ্য, শিক্ষা আৰু যোগাযোগৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ বিপণীসমূহৰো অনুষ্ঠানত মুকলি কৰা হয়। ইয়াৰ লগতে যোৱা ২২ আগষ্টৰ পৰা সাতদিনীয়াকৈ অনুষ্ঠিত কৰা বিস্তৃত তথ্য, শিক্ষা আৰু যোগাযোগ অভিযানত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ১০ খন জিলাক অনুষ্ঠানটোত বঁটা প্ৰদান কৰা হয়।

ৰাজ্যৰ আন আন জিলাসমূহৰ দৰে মৰিগাঁও জিলা সদৰতো এই দিৱসৰ সৈতে সংগতি ৰাখি ভালেকেইটা কাৰ্যসূচী গ্ৰহণ কৰা হয়। মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ পৰা নাৰ্চসকলে সজাগতামূলক শোভাযাত্ৰা উলিয়ায়।

বৰপেটা জিলাতো এইডছ সন্দৰ্ভত সজাগতা সৃষ্টিৰ লক্ষ্যৰে সজাগতামূলক সমদল উলিওৱাৰ লগতে বাটৰ নাট প্ৰদৰ্শন কৰা হয়।

যোৰহাটত জিলা স্বাস্থ্য সমিতি আৰু এইডছ নিয়ন্ত্ৰণ কোষৰ উদ্যোগত বিশ্ব এইডছ দিৱস পালন কৰা হয়।

অন্যান্য জিলাসমূহৰ দৰে শিৱসাগৰ জিলাতো এই দিৱসৰ সৈতে সংগতি ৰাখি সজাগতামূলক সভা অনুষ্ঠিত হয়।

০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি কাছাৰ জিলাত লক্ষীপুৰ মহকুমা ন্যায়িক দণ্ডাধীশ আদালত ভৱনৰ উদ্বোধন কৰে। এই ভৱনটো প্ৰায় ৩ কোটি ৭৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা হৈছে। ন্যায়িক ভৱনটোৱে লক্ষীপুৰৰ লগতে কাছাৰ জিলা তথা সামগ্ৰিকভাৱে বৰাক উপত্যকাৰ ন্যায়িক ব্যৱস্থাটোক অধিক গতিশীল কৰি তুলিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০

সমাপ্ত